**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 07-03-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। ভাৰতৰ কীৰ্তি আৰু সফলতাই সমগ্ৰ বিশ্বতে নতুন দিগন্তৰ সূচনা কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰিছে।

২। প্ৰধানমন্ত্ৰী মোদীয়ে আজি গুজৰাট আৰু কেন্দ্ৰীয় শাসিত অঞ্চল দাদৰা, নগৰ হাৱেলী তথা দমন আৰু দিউৰ দুদিনীয়া ভ্ৰমণ আৰম্ভ কৰিব।

৩। আজি জন ঔষধী দিৱস। জেনেৰিক ঔষধৰ ব্যৱহাৰ বৃদ্ধিৰ লগতে এই আঁচনিৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতাৰ সৃষ্টিৰ বাবে এই দিৱস পালন কৰি অহা হৈছে।

*আৰু*

৪। ভাৰতৰ ফুটবল দলৰ প্ৰাক্তন অধিনায়ক সুনীল ছেত্ৰীয়ে অৱসৰৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰি পুনৰ আন্তৰ্জাতিক খেলত অংশ ল'ব বুলি সৰ্বভাৰতীয় ফুটবল সন্থাই ঘোষণা কৰিছে।

ooooo

ভাৰতৰ কীৰ্তি আৰু সফলতাই সমগ্ৰ বিশ্বতে নতুন দিগন্তৰ সূচনা কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰিছে। তেওঁ কয়, যে সমগ্ৰ বিশ্বই এই যুগ ভাৰতৰ যুগ বুলি অভিহিত কৰিছে। নতুন দিল্লীত এটা ব্যক্তিগত নিউজ চেনেলে আয়োজন কৰা এটা অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে কয়, যে সম্প্ৰতি ভাৰতে বিশ্বৰ বিকাশক নেতৃত্ব দিছে আৰু বিকাশৰ পথত দ্ৰুত গতিত আগবাঢ়ি গৈছে। তেওঁ কয়, যে ভাৰতে অভিলাষী লক্ষ্যত উপনীত হোৱাৰ বাবে দূৰদৰ্শী পৰিকল্পনা গ্ৰহণ কৰে আৰু ইয়ে ফলপ্ৰসূ ফলাফল প্ৰদান কৰে। তেওঁ লগতে কয়, যে যোৱা দশকত ভাৰত বিশ্বৰ পঞ্চম সৰ্ববৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হৈছে আৰু বৰ্তমান বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰ দিশে দ্ৰুত গতিত আগবাঢ়ি গৈছে। যোৱা ১০ বছৰত ভাৰত বিশ্বৰ দ্বিতীয় সৰ্ববৃহৎ তীখা উৎপাদনকাৰী আৰু ম'বাইল ফোন নিৰ্মাতা আৰু তৃতীয় সৰ্ববৃহৎ ষ্টাৰ্টআপৰ দেশ হিচাপে পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে সৌৰ শক্তি উৎপাদন ক্ষমতা থকা বিশ্বৰ শীৰ্ষ ৫ খন দেশৰ ভিতৰত ভাৰত অন্যতম। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰে যে পূৰ্বৰ চৰকাৰে দেশৰ বিকাশত সৃষ্টি কৰা বাধাসমূহ আঁতৰোৱাৰ ক্ষেত্ৰত তেওঁৰ চৰকাৰে অবিৰতভাৱে কাম কৰি গৈছে আৰু মহাকাশ ক্ষেত্ৰখনত ভাৰতক নতুন গতি প্ৰদান কৰিছে। তেওঁ লগতে কয়, যে দেশৰ যুৱ উদ্ভাৱকসকলৰ বাবে মহাকাশ ক্ষেত্ৰখনত নতুন সুযোগৰ সৃষ্টি কৰিছে আৰু ইয়াৰ ফলত দেশত ২৫০ টাতকৈও অধিক মহাকাশ ষ্টাৰ্টআপ আৰম্ভ হৈছে। দেশৰ ৰাষ্ট্ৰীয় সুৰক্ষাত গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰীয়ে এই ক্ষেত্ৰত যোৱা দশকটোত গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ কামকাজসমূহৰ ওপৰত আলোকপাত কৰে। প্ৰধানমন্ত্ৰীয়ে প্ৰত্যক্ষ লাভ হস্তান্তৰৰ

জৰিয়তে এতিয়ালৈ হিতাধিকাৰীসকলৰ একাউণ্টত ৪২ লাখ কোটি টকা হস্তান্তৰ কৰা হৈছে বুলি উল্লেখ কৰে। তেওঁ কয়, যে ২৫ কোটি লোকক দৰিদ্ৰতা সীমাৰেখাৰ আওতাৰ বাহিৰলৈ অনা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাট আৰু কেন্দ্ৰীয় শাসিত অঞ্চল দাদৰা, নগৰ হাৱেলী তথা দমন আৰু দিউৰ দুদিনীয়া ভ্ৰমণ আৰম্ভ কৰিব। শ্ৰী মোদীয়ে গুজৰাটৰ সুৰত আৰু নৱসাৰী তথা দমনৰ সিলৱাসাত কেইবাটাও কাৰ্যসূচীত ভাগ ল'ব। আজি পুৱা তেওঁ দমন আৰু দিউৰ সিলৱাসা আৰু দাদৰা নগৰ হাৱেলীত দুহেজাৰ ৫৮৭ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন প্ৰকল্পৰ উদ্বোধন তথা আধাৰশিলা স্থাপন কৰিব। সিলৱাসাত প্ৰধানমন্ত্ৰীয়ে ৪৫০ খন বিছনাযুক্ত **নমো হাস্পতাল** আৰু গৱেষণা কেন্দ্ৰ উদ্বোধন কৰাৰ লগতে জনসভাত ভাষণো দিব। সুৰতত তেওঁ সুৰত খাদ্য সুৰক্ষা অভিযানৰ শুভাৰম্ভণি কৰিব। সুৰতৰ ২ লাখ হিতাধিকাৰী প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ দ্বাৰা উপকৃত হ'ব।

কাইলৈ প্ৰধানমন্ত্ৰীয়ে আন্তৰ্জাতিক মহিলা দিৱস উপলক্ষে নৱসাৰিত লাখপতি দি দি সন্মিলনত অংশ লৈ ২৫ হাজাৰৰো অধিক আত্মসহায়ক গোটৰ আঢ়ৈ লাখ মহিলালৈ ৪৫০ কোটিৰো অধিক ধনৰাশি বিতৰণ কৰিব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ আন্তঃৰাষ্ট্ৰীয় মহিলা দিৱস উপলক্ষে এখন ৰাষ্ট্ৰীয় সন্মিলন মুকলি কৰিব। **নাৰী শক্তিৰে বিকশিত ভাৰত** বিষয়বস্তুৰে কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে এই সন্মিলনখনৰ আয়োজন কৰিছে। সামৰিক আৰু অৰ্ধসামৰিক বাহিনীৰ বিষয়া, দিল্লী পুলিচৰ বিষয়া, মাই ভাৰত স্বেচ্ছাসেৱক, অংগনবাড়ী কৰ্মী, আশা কৰ্মী আৰু আত্মসহায়ক গোটৰ সদস্য সমন্বিতে বিভিন্ন ক্ষেত্ৰৰ সৈতে জড়িত মহিলাসকলে এই সন্মিলনত অংশগ্ৰহণ কৰিব। ইয়াৰ লগতে বিশ্ব বেংক, ইউনিছেফ, ৰাষ্ট্ৰসংঘৰ মহিলা গোটকে ধৰি কেইবাটাও আন্তঃৰাষ্ট্ৰীয় সংগঠনৰ প্ৰতিনিধিসকল এই সন্মিলনত উপস্থিত থাকিব।

উল্লেখযোগ্য যে, সমগ্ৰ বিশ্বতে ৮ মাৰ্চৰ দিনটো আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰূপে উদযাপন কৰা হয়। এইবাৰৰ নাৰী দিৱসৰ বিষয়বস্তু হৈছে– সকলো মহিলা আৰু ছোৱালীৰ বাবে ঃ অধিকাৰ, সমতা, সৱলীকৰণ। এই বিষয়বস্তুৰ জৰিয়তে এগৰাকীও মহিলা বাদ নপৰাকৈ সকলোৰে বাবে সমঅধিকাৰ, ক্ষমতা আৰু সুযোগ-সুবিধা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ হকে পোষকতা কৰা হৈছে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিছুদিন পূৰ্বে দেশৰ বিভিন্ন প্ৰান্তৰ মহিলাসকলক তেওঁলোকৰ অনুপ্ৰেৰণামূলক জীৱনযাত্ৰাৰ কথা নমো এপ মুকলি মঞ্চত প্ৰকাশ কৰিবলৈ আহ্বান জনাইছিল। এটা বিশেষ পদক্ষেপ হিচাপে কেইগৰাকীমান নিৰ্বাচিত মহিলাই ৮ মাৰ্চৰ দিনা প্ৰধানমন্ত্ৰীগৰাকীৰ সামাজিক মাধ্যমৰ একাউণ্টসমূহৰ জৰিয়তে তেওঁলোকৰ অভিজ্ঞতাসমূহ প্ৰকাশ কৰিব বুলিও শ্ৰী মোদীয়ে ঘোষণা কৰিছিল।

ooooo

আজি জন ঔষধী দিৱস। জেনেৰিক ঔষধৰ ব্যৱহাৰ বৃদ্ধিৰ লগতে এই আঁচনিৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতাৰ সৃষ্টিৰ বাবে এই দিৱস পালন কৰি অহা হৈছে। সুলভ মূল্যত উন্নতমানৰ জেনেৰিক ঔষধ উপলব্ধ কৰোৱাই হৈছে প্ৰধানমন্ত্ৰী ভাৰতীয় জনঔষধী আঁচনিৰ মূল লক্ষ্য। আমাৰ সংবাদদাতাই জনোৱা মতে ৰাসায়ন আৰু সাৰ মন্ত্ৰালয়ে এই উদ্যমক উদগনি যোগোৱাৰ বাবে সপ্তাহজোৰা কাৰ্যসূচী গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে

জনসাধাৰক প্ৰধানমন্ত্ৰী ভাৰতীয় জনঔষধী কেন্দ্ৰসমূহত সুলভ মূল্যত উন্নতমানৰ ঔষধ উপলব্ধ কৰোৱাৰ বাবে ২০০৮ চনৰ নৱেম্বৰ মাহত এই আঁচনি মুকলি কৰা হৈছিল। এই আঁচনিৰ অধীনত বজাৰ মূল্যৰ ৫০ৰ পৰা ৮০ শতাংশ কম মূল্যত ঔষধ যোগান ধৰা হয়। দেশৰ জিলাসমূহত বৰ্তমান ১৫ হাজাৰতকৈও অধিক জনঔষধী কেন্দ্ৰ সক্ৰিয় হৈ আছে।

০০০০০

কোভিড-১৯ মহামাৰীৰ সময়ত দিয়া সুদক্ষ নেতৃত্ব আৰু গোলকীয় সহযোগিতাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সন্মানীয় **অনাৰেৰী অৰ্ডাৰ অৱ্ ফ্ৰীদম অৱ্ বাৰ্বাডোছ** পুৰস্কাৰেৰে সন্মানিত কৰা হৈছে। বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই বাৰ্বাডোছৰ ব্ৰীজ টাউনত আয়োজিত এটা অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হৈ এই সন্মান গ্ৰহণ কৰে। শ্ৰী মাৰ্ঘেৰিটাই এই সন্মানৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে আৰু প্ৰধানমন্ত্ৰীৰ হৈ এই সন্মান গ্ৰহণ কৰিব পৰাতো তেওঁৰ বাবে গৌৰৱৰ বিষয় বুলি উল্লেখ কৰে। জৰ্জ টাউনত যোৱা বছৰ অনুষ্ঠিত দ্বিতীয় ভাৰত কাৰিক'ম নেতৃত্ব অভিৰ্বতনৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে অনুষ্ঠিত এখন বৈঠকত বাৰ্বাডোছৰ প্ৰধানমন্ত্ৰী মিয়া অমোৰ মোটলে এই পুৰস্কাৰৰ কথা ঘোষণা কৰিছিল।

০০০০০

লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়ে কালি মুম্বাইৰ ধাৰাবীত ছামৰা উদ্যোগৰ শ্ৰমিকসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ শ্ৰমিকসকলৰ বিভিন্ন সমস্যাৰ বুজ লয়। নেতাগৰাকীয়ে অঞ্চলটোৰ উদ্যোগীসকলৰ সৈতেও আলোচনাত মিলিত হয়। দলৰ সূত্ৰই প্ৰকাশ কৰা মতে শ্ৰী গান্ধীয়ে আজি আহমেদাবাদলৈ যাব।

০০০০০

ভাৰতৰ ফুটবল দলৰ প্ৰাক্তন অধিনায়ক সুনীল ছেত্ৰীয়ে পুনৰ আন্তৰ্জাতিক খেলত অংশ ল'ব। চলিত মাৰ্চ মাহত মালদ্বীপ আৰু বাংলাদেশৰ বিৰুদ্ধে হ'বলগীয়া ফিফা আন্তঃৰাষ্ট্ৰীয় উইণ্ডো খেলৰ জৰিয়তে খেলুৱৈগৰাকী উভতি আহিব বুলি সৰ্বভাৰতীয় ফুটবল সন্থাই ঘোষণা কৰিছে। ভাৰতৰ তাৰকা খেলুৱৈগৰাকীয়ে যোৱা বৰ্ষৰ জুন মাহত কুৱেটৰ বিৰুদ্ধে নিজৰ অন্তিমখন খেল খেলিছিল আৰু পাছলৈ অৱসৰ ঘোষণা কৰিছিল। এ এফ চি এচিয়া কাপ চৌডি আৰবীয়া ২০২৭ৰ যোগ্যতা নিৰ্ণয়কাৰী খেলৰ তৃতীয় ৰাউণ্ডৰ প্ৰাক মুহূৰ্তত ছেত্ৰীৰ অন্তৰ্ভুক্তিকৰণ ভাৰতীয় দলৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ বিবেচিত হৈছে। ভাৰতে অহা ১৯ মাৰ্চত শ্বিলঙত মালদ্বীপৰ বিৰুদ্ধে এখন বন্ধুত্বপূৰ্ণ খেলত আৰু পাছলৈ একেটা স্থানতে বাংলাদেশৰ বিৰুদ্ধে যোগ্যতা নিৰ্ণয়কাৰী খেলখনত অৱতীৰ্ণ হ'ব।

০০০০০

আই এছ্ এল ফুটবল প্ৰতিযোগিতাৰ এখন খেলত কালি পাঞ্জাব ফুটবল ক্লাবে হায়দৰাবাদ ফুটবল ক্লাবক ৩-১ গ'লত পৰাস্ত কৰে। হায়দৰাবাদৰ জি এম চি বালায়োগি এথলেটিক ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত পাঞ্জাবৰ ছাজী অ'জী, শামী ছিংগামায়ুম আৰু লুকা মাজছেনে এটাকৈ গল দিয়ে। খেলখনত শামী ছিংগামায়ুম আই এছ্ এল ইতিহাসৰ সৰ্বকনিষ্ঠ গ'লদাতা হিচাপে পৰিগণিত হয়। আজি কোচিৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত কেৰালা ব্লাষ্টাৰ্ছ মুম্বাই চিটীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০০

মহিলা প্ৰিমিয়াৰ লীগৰ এখন খেলত কালি মুম্বাই ইণ্ডিয়ানছে  ইউ পি ৰাৰিয়ৰ্ছক ৬ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত পৰাজয়ৰ পাছতে ইউ পি ৰাৰিয়ৰ্ছৰ প্লে অব ৰাউণ্ডলৈ যোগ্যতা অৰ্জনৰ সকলো সম্ভাৱনাৰ অন্ত পৰে। খেলখনত প্ৰথমে বেটিং কৰি ৰাৰিয়ৰ্ছে নিৰ্ধাৰিত ২০ অভাৰত ৯ টা উইকেট হেৰুৱাই ১৫০ ৰান কৰে। জৰ্জিয়া ভ'লে সৰ্বাধিক ৫৫ ৰান কৰে। মুম্বাইৰ এমেলিয়া কাৰে ৫টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত মুম্বায়ে ৯ টা বল বাকী থকা অৱস্থাত ৪ টা উইকেট হেৰুৱাই খেলখনত জয় লাভ কৰিবলৈ সমৰ্থ হয়। ৪৬ টা বলত ৬৮ ৰান কৰা অ'পেনাৰ হেইলী মেথিউজলৈ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা আগবঢ়োৱা হয়।

আজি লক্ষ্ণৌত গুজৰাট টাইটেনছ্ ডেলহী কেপিটেলছ্ বিৰুদ্ধে আৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে অহা ১১ মাৰ্চত লীগ পৰ্যায়ৰ খেলৰ অন্ত পৰিব। পইণ্ট তালিকাৰ শীৰ্ষ স্থানৰ দলটোৱে পোনপটীয়াকৈ ফাইনেল খেলাৰ সুযোগ লাভ কৰিব। দ্বিতীয় আৰু তৃতীয় স্থানত থকা দল দুটাই ১৩ মাৰ্চত এখন প্লে অফ খেলত অৱতীৰ্ণ হ'ব আৰু বিজয়ী দলটোৱে ফাইনেললৈ যোগ্যতা অৰ্জন কৰিব। মহিলা প্ৰিমিয়াৰ লীগৰ এইবাৰৰ চূড়ান্ত খেলখন ১৫ মাৰ্চত খেলোৱা হ'ব।

ooooo

সমাপ্ত